# প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী



নগেন শইকীয়া

# প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী

নগেন শইকীয়া

পূৰ্বাঞ্চল প্ৰকাশ
গু ৱা হা টী

**PRANJADHIKARI MUNIN BORKOTOKY :** *A monograph on the life and works of Munin Borkotoky, a renowned writer and critic, by Nagen Saikia, to mark the Birth Centenary of Munin Borkotoky and published by Purbanchal Prakash, H.No.-2, Seujee Path, Dr. B. N. Saikia Road, Wireless, Dispur, Guwahati-781006, 18th October, 2015.*

**Rs. 100.00 only.**

॥ প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী ॥

মুনীন বৰকটকীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰথিতযশা লেখক-সমালোচকগৰাকীৰ জীৱন আৰু কৰ্ম সম্পৰ্কে নগেন শইকীয়াৰ দ্বাৰ লিখিত ঐকিক গ্ৰন্থ।

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং ২, সেউজী পথ, ৱায়াৰলেছ, গুৱাহাটী-৭৮১০০৬ ॥

॥ মুদ্ৰণ ঃ আংগিক প্ৰেছ, গুৱাহাটী-৭৮১০০১ ॥

॥ প্ৰথম প্ৰকাশ ঃ ১৮ অক্টোবৰ ২০১৫ ॥

॥ অক্ষৰ বিন্যাস ঃ অনন্যা চুতীয়া ॥

॥ বেটুপাত ঃ অনুপম ভৰদ্বাজ ॥

॥ লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥

ISBN : 978-81-7213-267-5

॥ মূল্য ঃ ১০০.০০ টকা ॥



মুনীন বৰকটকী

জন্ম ঃ ১৮ অক্টোবৰ, ১৯১৫

মৃত্যু ঃ ৬ নৱেম্বৰ, ১৯৯৩

# মুনীন বৰকটকী ন্যাস সমিতিৰ একাষাৰ

সু-প্ৰসিদ্ধ সাহিত্যিক-সমালোচক মুনীন বৰকটকীৰ পুণ্যস্মৃতিত পৰিয়ালে ১৯৯৪ চনত 'মুনীন বৰকটকী স্মাৰক ন্যাস' গঠন কৰে। বৰকটকীৰ পৰলোকপ্ৰাপ্তি (৬ নৱেম্বৰ ১৯৯৩)ৰ পাছত ন্যাসে বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত তেওঁৰ ভিন্নধৰ্মী লেখাসমূহ কেইবাগৰাকী কৃতবিদ্য সাহিত্যিক-সমালোচকৰ দ্বাৰা পৰ্যায়ক্ৰমে সম্পাদনা কৰাই গ্ৰন্থৰূপত প্ৰকাশ কৰি আহিছে। জীৱিত কালত 'বিস্মৃত ব্যতিক্ৰম' (১৯৮১) গ্ৰন্থখনৰ বাহিৰে বৰকটকীৰ কোনো গ্ৰন্থ প্ৰকাশ পোৱা নাছিল। তেওঁৰ জন্ম শতবৰ্ষৰ প্ৰাৰম্ভতে ড° হীৰেন গোহাঁইৰ সম্পাদনাত 'মুনীন বৰকটকী ৰচনাৱলী' অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰে। আনহাতে মুনীন বৰকটকীৰ জীৱন, কৰ্ম আৰু তেওঁৰ সৃষ্টি প্ৰতিভাৰ বিষয়ে ১৯৯৪ চনত 'বিভিন্ন জনৰ দৃষ্টিত মুনীন বৰকটকী' আৰু ২০০৭ চনত 'প্ৰসংগ মুনীন বৰকটকী' গ্ৰন্থ দুখন প্ৰকাশ পায়।

ন্যাসে ১৯৯৫ চনৰ পৰা প্ৰতি বছৰে চল্লিছ বছৰৰ অনুৰ্ধৰ প্ৰতিশ্ৰুতিসম্পন্ন-প্ৰতিভাবান লেখক-লেখিকাসকলক উদ্‌গনি যোগোৱাৰ উদ্দেশ্যে মুনীন বৰকটকী বঁটা আগবঢ়াই আহিছে। বৰকটকীয়ে প্ৰতিশ্ৰুতিসম্পন্ন লেখক-লেখিকাসকলক সততে উদগনি যোগাই আহিছিল। তেওঁৰ ইচ্ছা অনুযায়ী তেওঁৰে সঞ্চিত ধনেৰে ন্যাসে 'মুনীন বৰকটকী বঁটা' আগবঢ়োৱাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে ১৯৯৫ চনৰ পৰা ২০১৪ চনলৈকে একচল্লিছ গৰাকী লেখক-লেখিকাই মুনীন বৰকটকী বঁটা লাভ কৰিছে। প্ৰখ্যাত সাহিত্যিক-সমালোচক আৰু কবিয়ে বঁটাৰ বাবে গ্ৰন্থ নিৰ্বাচন কৰে। এই ছেগতে ন্যাসৰ হৈ মই তেখেতসকলক কৃতজ্ঞতা জনাইছো। আমাৰ কাৰণে সন্তোষৰ কথা যে বঁটা প্ৰাপকসকলে পাছত অসমীয়া সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত সুনাম অৰ্জন কৰিছে। সাহিত্য অকাদেমিৰ যুৱ সাহিত্য বঁটা আৰু অন্যান্য পুৰস্কাৰ লাভ কৰিছে। ন্যাসে আৰম্ভণিৰ বছৰৰ পৰা ২০০৪ চনলৈকে মুনীন বৰকটকী বঁটা প্ৰাপক ওঠৰ গৰাকীৰ নিৰ্বাচিত গল্প, কবিতা, প্ৰবন্ধ আদি ইংৰাজীলৈ অনুবাদ কৰাই 'Winners All' নামৰ গ্ৰন্থখনত সন্নিবিষ্ট কৰিছে। ভিন্ন ধৰ্মী লেখা কেইটি অনুবাদ কৰিছে অধ্যাপক প্ৰদীপ আচাৰ্য আৰু ড° মীনাক্ষী বৰকটকীয়ে।

মুনীন বৰকটকী বঁটা প্ৰাপকৰ নাম প্ৰতি বছৰে ডিচেম্বৰ মাহৰ শেষত ঘোষণা কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানটি সাধাৰণতে দুবছৰৰ মূৰে মূৰে গুৱাহাটীত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত, নিৰ্দিষ্ট সময়ত আৰু শৃংখলাপূৰ্ণভাৱে অনুষ্ঠিত হয় কাৰণে সকলোৰে প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছে। সাহিত্য-সমালোচনাৰ ক্ষেত্ৰত ৰাজ্যখনৰ বা ৰাজ্যখনৰ বাহিৰৰ বিশেষ খ্যাতি থকা ব্যক্তিৰ দ্বাৰা মুনীন বৰকটকী বঁটা প্ৰদান কৰা

হয়। মুনীন বৰকটকীৰ শ্ৰদ্ধাৰ অনুষ্ঠানটিত (১৯৯৪) চিন্তাশীল সাহিত্যিক, ৰাজনীতিবিদ বিজয়চন্দ্ৰ ভাগৱতী, প্ৰখ্যাত বুৰঞ্জীবিদ ড° হেৰম্বকান্ত বৰপুজাৰী, সাহিত্য অকাডেমিৰ প্ৰাক্তন সভাপতি, জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বিশিষ্ট বুদ্ধিজীৱী, কৃতী সমালোচক ড° হীৰেন গোহাঁই, প্ৰাক্তন সাংসদ অজিত কুমাৰ শৰ্মা প্ৰমুখ্যে গণ্যমান্য লোকসকল উপস্থিত আছিল। বৰকটকীৰ বিভিন্ন দিশ সামৰি তেওঁলোকে দিয়া ভাষণে সেই অনুষ্ঠানটিৰ গাম্ভীৰ্য বঢ়াইছিল।

২০১৪ চনত মুনীন বৰকটকীৰ জন্ম শতবৰ্ষ উপলক্ষে উদ্‌যাপন সমিতিৰ সভাপতি যশস্বী নাট্যকাৰ-সাহিত্যিক অৰুণ শৰ্মাদেৱৰ উদ্যোগত বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়। ইতিমধ্যে বৰকটকীৰ বিষয়ে এখন তথ্যচিত্ৰ বিশিষ্ট পৰিচালক প্ৰবীণ হাজৰিকাৰ পৰিচালনাত নিৰ্মাণ কৰা হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন আলোচনা চক্ৰ গুৱাহাটীত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সাহিত্য অকাডেমিৰ উদ্যোগত আন এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। বৰকটকীৰ জন্মস্থান যোৰহাটৰ বালিগাঁৱত জন্ম শতবৰ্ষৰ প্ৰথম উদ্বোধনী অনুষ্ঠান বালিগাঁও শাখা সাহিত্য সভা আৰু বালিগাঁও সন্মিলনী নাট্য মন্দিৰে ন্যাসৰ সহযোগত ২০১৪ চনৰ ১৮ অক্টোবৰত বিস্তৃত কাৰ্যসূচীৰে পালন কৰে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই উত্তৰ পূব গ্ৰন্থমেলাত মুনীন বৰকটকীৰ জন্ম শতবৰ্ষ উপলক্ষে দুখন আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ কাৰণে আমি সন্তোষ পাইছো।

মুনীন বৰকটকীৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি শেষত তেওঁৰ বিষয়ে এখন জীৱনী গ্ৰন্থ প্ৰকাশ কৰিবলৈ উদ্‌যাপন সমিতিয়ে সিদ্ধান্ত লয়। সমিতিয়ে প্ৰথিতযশা সাহিত্যিক-সমালোচক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াদেৱক জীৱনী গ্ৰন্থখন ৰচনা কৰিবলৈ অনুৰোধ কৰে। বৰকটকীৰ স্নেহধন্য ড° শইকীয়াই মুনীন বৰকটকীৰ ব্যক্তিত্বৰ বিভিন্ন দিশ সামৰি 'প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী' নামৰ মূল্যবান গ্ৰন্থখন ৰচনা কৰি উদ্‌যাপন সমিতিৰ লগতে ন্যাসকো কৃতাৰ্থ কৰিলে। আমি ড° শইকীয়াৰ ওচৰত কৃতজ্ঞ। গুৱাহাটীৰ পূৰ্বাঞ্চল প্ৰকাশৰ নবীন বৰুৱাই গ্ৰন্থখন নিখুঁতকৈ প্ৰকাশ কৰাৰ কাৰণে ন্যাসৰ হৈ শ্ৰীবৰুৱাক ধন্যবাদ জনাইছোঁ।

শেষত ন্যাসৰ বিভিন্ন কাম-কাজত সকলো প্ৰকাৰে সহায়-সহযোগিতা পাই থকা কাৰণে সম্পাদক প্ৰমুখ্যে সদস্যসকলকো ধন্যবাদ জনাইছোঁ।

ৰেণুকা দেৱী বৰকটকী

সভানেত্ৰী, মুনীন বৰকটকী ন্যাস সমিতি

## ব্যক্তিগত একাষাৰ

শ্ৰদ্ধেয় মুনীন বৰকটকীদেৱক কেতিয়া প্ৰথম লগ পাইছিলোঁ আৰু কেতিয়াৰপৰা সান্নিধ্য লাভ কৰিছিলোঁ, কেতিয়াৰপৰাবা 'দাদা' এই সম্বোধনৰে মাতিবলৈ আৰম্ভ কৰিছিলোঁ সেই দিন, বাৰ, তাৰিখ মনত নাই, মনত আছে পঞ্চাছৰ শেষ আৰু ষাঠিৰ আৰম্ভণিৰপৰাই তেখেতৰ লেখাৰ লগত লাহে লাহে পৰিচিত হোৱাৰ কথা।

মই অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক হৈ থকাৰ সময়ত খদ্দৰৰ ধুতী-পাঞ্জাবী পৰিহিত, দীৰ্ঘদেহী কিন্তু সৌম্যভাব বিয়পি থকা মুখমণ্ডলৰ, সম্ভ্ৰান্ত খোজ-কাটলৰ এই মানুহজনৰ লগত ব্যক্তিগতভাৱে পৰিচিত হোৱাৰ কথা। এই পৰিচয় লাহে লাহে কিছু ঘন হৈছিল। এই কথাও গম পাইছিলোঁ যে যদিও বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য-সম্পাদিত 'ৰামধেনু'ৰ বুকুতে যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া সাহিত্যৰ প্ৰকাশ আৰু বিকাশ আৰম্ভ হৈছিল, এই আধুনিকতাৰ ধ্যান-ধাৰণাৰ উঁহটো উলিয়াই দিয়াত অন্যতম ঘাই ভূমিকা গ্ৰহণ কৰা মানুহজন আছিল মুনীন বৰকটকী।

১৯৭৩ খ্ৰীষ্টাব্দত মই অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দায়িত্ব লোৱাৰ পিছত অসমৰ প্ৰথম 'লেখক-শিবিৰ'টোৰ পৰিকল্পনা কৰি বছৰটোৰ শেহৰফালে সাদিনজুৰি সভাৰফালৰপৰা এই শিবিৰৰ আয়োজন কৰা হৈছিল। স্বাধীনতাৰ লাভৰ পিছৰ পঁচিছ বছৰৰ অসমীয়া সাহিত্যৰ আটাইকেউটা ধাৰাৰ নিৰ্বাচিত যাঠিজন লেখকক নিজৰ নিজৰ ৰচনা-সম্পৰ্কে কৰা প্ৰশ্নৰ উত্তৰ বিচৰা হৈছিল এই শিবিৰত। সঞ্চালক আছিল অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰথিতযশা পণ্ডিত ডঃ মহেশ্বৰ নেওগ। সমালোচনা সাহিত্য-সম্পৰ্কে ক'বলৈ নিমন্ত্ৰণ কৰি আনিছিলোঁহঁক শ্ৰীযুত মুনীন বৰকটকীডাঙৰীয়াক। তেখেতৰ বক্তব্যই সমগ্ৰ বিষয়টোৰ ওপৰত এক নতুন আলোকপাত কৰিলে। ব্যক্তিনিষ্ঠ উত্তৰ, কিন্তু বস্তুনিষ্ঠ বিচাৰ—এয়ে আছিল তেখেতৰ বক্তব্যৰ প্ৰধান বৈশিষ্ট্য। ইয়াৰ পিছৰ বছৰ অৰ্থাৎ ১৯৭৪ খ্ৰীঃত মঙলদৈত বহা অসম সাহিত্য সভাৰ অধিৱেশনৰ লগত আয়োজিত সাহিত্য-আলোচনা-চক্ৰৰ বাবে বাছনি কৰা 'অসমীয়া সাহিত্য ঃ ঐতিহ্য আৰু আধুনিকতা'ৰ সমস্যা' বিষয়-সম্পৰ্কে আলোচনাচক্ৰৰ সভাপতিস্বৰূপে ভাষণ দিবলৈ তেখেতক নিমন্ত্ৰণ কৰি নিয়া হৈছিল। এই ভাষণখনো চিন্তাকৰ্ষক আৰু চিত্তাকৰ্ষক ভাষণ আছিল। তেখেতৰ এই দুয়োখন ভাষণেই তেখেতৰ 'ৰচনাৱলী'ত মৰণোত্তৰভাৱে প্ৰকাশিত হৈছে।

চৰকাৰী চাকৰিৰপৰা অৱসৰ লৈ গুৱাহাটীৰ শিলপুখুৰীৰ পঞ্চৱটীত থকা তেখেতৰ বাসভৱনলৈ সময় আৰু সুবিধা পালে গৈ মাত লগাই আহিছিলোঁ, অৱশ্যে সেৰেঙাকৈ। ১৯৮৮ খ্ৰীঃত মই আমেৰিকালৈ গৈ ঘূৰি আহি তিনিদিনীয়া 'অগ্ৰদূত'কাকতত লিখা মোৰ ভ্ৰমণ-কাহিনীৰ কিছু অংশ বোধকৰোঁ লাইব্ৰেৰীত তেখেতে চকু ফুৰাবলৈ পাইছিল। মোক লগ পোৱাৰ সময়ত, "তোমাৰ আমেৰিকা ভ্ৰমণৰ লেখাটো আকৰ্ষণীয় হৈছে" বুলি কোৱা কথাকেইটা মোৰ কাণত এতিয়াও বাজি আছে। মোৰ এই ভ্ৰমণ-কাহিনী কিতাপ হৈ ওলোৱাৰ পিছত মই তেখেতৰ ঘৰলৈ গৈ এটা কপি দি থৈ আহিছিলোঁ। কিতাপখন পঢ়াৰ পিছত তেখেতে মোলৈ ইনলেণ্ড কাৰ্ডত লিখা চিঠিখন মোৰ বাবে এটি ডাঙৰ পুৰস্কাৰ বুলি মই এতিয়াও জ্ঞান কৰোঁ। সেই চিঠিখন তেখেতৰ মৃত্যুৰ পিছত অধ্যাপক উপেন্দ্ৰ বৰকটকীয়ে সম্পাদনা কৰা 'প্ৰসংগ ঃ মুনীন বৰকটকী'ত অন্তৰ্ভুক্ত কৰি থৈছে। মোৰ 'অপাৰ্থিৱ পাৰ্থিৱ' নামৰ গল্পসংকলনটোও তেখেতৰ হাতত এবাৰ দি আহিছিলোঁ। কিছু দিনৰ পিছত তেখেতে ' চেতনা-স্ৰোতী আঙ্গিকৰ বৈশিষ্ট্যপূৰ্ণ প্ৰকাশ ঃ ন-ধৰণৰ গল্প' শিৰোনামেৰে 'তিনিদিনীয়া বাতৰি'ত এটি সুদীৰ্ঘ সমালোচনা লিখে। এই লেখাটিও মোৰ বাবে যিদৰে এখন মূল্যৱান প্ৰমাণ-পত্ৰ বুলি ভাবোঁ, তেনেদৰেই দিক্-দৰ্শনকাৰী লেখা বুলিও ভাবোঁ। মোক আৰু এটা কথাই মুগ্ধ কৰিছিল। মই তেখেতক দুয়োখন কিতাপ দুটা সময়ত দিওঁতে কেতিয়াও সেই বিষয়ে লিখিবলৈ অনুৰোধ কৰা নাছিলোঁ। তেখেতৰ দৰে এগৰাকী বয়োজ্যেষ্ঠ সমালোচকে নিজাববীয়াকৈ লিখাৰ বাবে মই সঁচাকৈ কৃতজ্ঞতা অনুভৱ কৰিছিলোঁ। কনিষ্ঠৰ প্ৰতি তেখেতৰ এই লেখাৰ মাজেদি প্ৰকাশিত হৈছিল অভিভাৱক তথা জ্যেষ্ঠৰ সদিচ্ছা আৰু শুভেচ্ছাৰ।

এই মানুহগৰাকীয়ে নিজৰ লেখা সংকলন কৰাৰ কোনো যত্ন কৰা নাছিল। জীৱিতকালত প্ৰকাশিত 'বিস্মৃত ব্যতিক্ৰম' শিৰোনামৰ গ্ৰন্থখনিৰ পিছত 'বন্দিত বৰেণ্য' আৰু 'অন্তৰ আৰু অন্তৰীক্ষ' মৰণোত্তৰভাৱে প্ৰকাশিত হয়। এই তিনিখন গ্ৰন্থৰ উপৰিও তেখেতৰ সমালোচনামূলক পঁয়ত্ৰিছখন ৰচনা, তেখেতৰ বাৰটা চুটিগল্প, পাঁচটা কবিতা আৰু এখন একাংকিকা ২০১৪ খ্ৰীষ্টাব্দত, অৰ্থাৎ তেখেতৰ জন্ম-শতবাৰ্ষিকী অনুষ্ঠানৰ আৰম্ভণিৰ সময়ত 'অসম প্ৰকাশন পৰিষদে' ডঃ হীৰেন গোঁহাইৰ পাণ্ডিত্যপূৰ্ণ 'পাতনি' সম্বলিতে প্ৰকাশ কৰি উলিয়াইছে।

ডঃ গোঁহায়ে আৰম্ভতেই লিখিছে, "তেওঁৰ জীৱনকালত তেখেতে সেই স্বীকৃতি নাপালেও আজি এই কথা পৰিষ্কাৰ হৈ পৰিছে যে মুনীন বৰকটকী আছিল বিংশ শতাব্দীৰ অসমৰ এগৰাকী মানৱতাবাদী মনীষী। বেজবৰুৱাৰ পৰা বাণী কাকতিলৈকে আমাৰ সাহিত্যৰ অগ্ৰনায়কসকলৰ মানৱতাবাদ আধাৰ আছিল এক আধ্যাত্মিক উপলব্ধি আৰু ভৰসা। কিন্তু মুনীন বৰকটকী সেই ধৰণৰ ধৰ্মীয় বিশ্বাসৰ পৰা কিছু দূৰত অৱস্থান লোৱা, স্বনিৰ্ভৰ মানৱাত্মাৰ প্ৰতি আস্থা ৰখা চিন্তাবিদ। সেই দৃষ্টিভংগীৰ পৰাই তেখেতে সমাজ আৰু সাহিত্য অৱলোকন কৰিছিল। সকলো পৰাজয়, আশা ভংগ, ব্যৰ্থতাৰ পিছতো মানুহ কেৱল জন্তুৰ দৰে জীয়াই নাথাকে; নিজৰ এক মহত্তৰ উত্তৰণৰ প্ৰতি নিজকে উৎসৰ্গ কৰিব পাৰে। এয়েই বৰকটকীৰ মতে মনুষ্যত্বৰ সাৰ্থক স্বৰূপ।" ধৰ্মীয় বিশ্বাসৰপৰা কিছু দূৰ থাকিলেও ঈশ্বৰ বিশ্বাস হয়তো আছিল। তাৰ পৰিচয় ব্যক্তিগত চিঠি-পত্ৰত বিৰিঙি ওলোৱা দেখা যায়। অৱশ্যে তেখেত কিন্তু মূলতঃ যে তেখেত মানৱতাবাদী সেই কথা সন্দেহাতীতভাৱে গ্ৰহণীয়।

ইতিমধ্যে বৰকটকীৰ স্মৃতিত এখন ন্যাস সমিতি গঠিত হৈছে। এই ন্যাস সমিতিৰ সভাপতিস্বৰূপে সমিতিক আৱৰি ধৰি ৰাখিছে শ্ৰদ্ধেয় বৰকটকীৰ পত্নী, এগৰাকী সমাজ সচেতন ব্যক্তি, একালৰ ৰাজনৈতিক নেত্ৰী শ্ৰীযুতা ৰেণুকা দেৱীবৰকটকীয়ে আৰু লগত আছে বৰকটকী দম্পতীৰ একমাত্ৰ বিদুষী কন্যা শ্ৰীমতী মীনাক্ষী বৰকটকী ৰুচেৱায়ে। বৰকটকীৰ অতিশয় ঘন সান্নিধ্য লাভ কৰোঁতা, এই সমিতিৰ অন্যতম ধৰণীস্বৰূপ অধ্যাপক উপেন্দ্ৰ বৰকটকী হ'ল ন্যাস সমিতিৰ সম্পাদক। উল্লেখযোগ্য যে এই ন্যাস সমিতিৰ দ্বাৰা আয়োজিত মুনীন বৰকটকীৰ জন্ম শতবাৰ্ষিকী-উদ্‌যাপন সমিতিৰ সভাপতি হ'ল আধুনিক অসমীয়া নাটকক এটা বিশিষ্ট নতুন মাত্ৰা দান কৰোঁতা নাট্যকাৰ, এগৰাকী কথাশিল্পী, এগৰাকী কবি শ্ৰীযুত অৰুণ শৰ্মাডাঙৰীয়া।

এই ন্যাস সমিতিয়ে গ্ৰন্থ প্ৰকাশৰ উপৰিও চল্লিশ বছৰৰ অনুৰ্দ্ধৰ লেখক-লেখিকাৰ গ্ৰন্থৰ বাছনি কৰি প্ৰত্যেক বছৰে একোটি বঁটা প্ৰদান কৰি আহিছে। কিন্তু এই ব্যক্তিগৰাকীৰ জীৱন-পৰিচয়মূলক গ্ৰন্থ প্ৰকাশিত হোৱা নাছিল।

মুনীন বৰকটকী স্মাৰক ন্যাসে মুনীন বৰকটকীৰ বিষয়ে এখন পৰিচয়মূলক গ্ৰন্থ লিখিবৰ বাবে কি তথ্য আৰু যুক্তিৰ আধাৰত মোৰ নাম প্ৰস্তাৱ কৰিলে মই নাজানো। মই জানো যে এনে এটা কামৰ বাবে মোৰ যোগ্যতা আৰু অৰ্হতা এটাও নাই; বৰং মই ভাবোঁ এই দায়িত্ব অৰ্পিত হ'ব লাগিছিল অধ্যাপক উপেন্দ্ৰ বৰকটকীৰ দৰে ঘন সান্নিধ্য লাভ কৰা ব্যক্তিৰ ওপৰত। মুনীন বৰকটকী মানুহজনৰ প্ৰতি থকা মোৰ গভীৰ শ্ৰদ্ধাৰ নিমিত্তে এই প্ৰস্তাৱ প্ৰত্যাখান কৰিব নোৱাৰি বলে নোৰৰা শিল দাঙি ল'বলৈ যত্ন কৰাৰ ফল হ'ল 'প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী।' মই জানো, মোৰ এই কাম একপ্ৰকাৰ 'দোলাৰ নামত শিকিয়াত যোৱা'ৰ তুল্য। এতেকে 'পখীসৰ উৰৈ যেন পখা অনুসাৰে' অপ্ৰমাদী কবি মাধৱ কন্দলিৰ এই উপমাটি মনত ৰাখিবলৈ সকলোটিকে অনুৰোধ জনালোঁ। এই সৰু পুথিখন লিখাৰ সময়ত বৰকটকীৰ ছপা হৈ ওলোৱা তিনিখন কিতাপৰ বাহিৰে আৰু উপেন্দ্ৰ বৰকটকীয়ে সম্পাদনা কৰা 'বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকী' আৰু 'প্ৰসংগ ঃ মুনীন বৰকটকী' এইকেইখন গ্ৰন্থৰ বাহিৰে কোনো সমল হাতত নাছিল। দৰাচলতে ন্যাস সমিতিৰ আগ্ৰহ আৰু মুনীন বৰকটকীৰ

প্রতি আন্তৰিক শ্ৰদ্ধা থকাৰ বাহিৰে তেখেতৰ বিষয়ে থাকিবলগীয়া তথ্যপাতিৰ ক্ষেত্ৰত মই আছিলোঁ কপৰ্দক শূন্য। মই জানিছিলোঁ মোক যদি সহায় কৰিব পাৰে অধ্যাপক উপেন্দ্ৰ বৰকটকীয়ে কৰিব পাৰিব। তেখেতৰ লগত যোগাযোগ কৰাৰ পিছত তেখেতৰ সংগ্ৰহত থকা চিঠি-পত্ৰ সম্বন্ধিতে বৰকটকীয়ে বাতৰিকাকতলৈ লিখা চিঠি-পত্ৰ আৰু কিছু প্ৰবন্ধৰ টুকুৰাও মোলৈ অনুগ্ৰহ কৰি পঠাই দিলে। তদুপৰি, বৰকটকীৰ জন্মস্থান বালিগাঁৱত আয়োজন কৰা শতবাৰ্ষিকী অনুষ্ঠানৰ সময়ত স্থানীয়ভাৱে প্ৰকাশ কৰা স্মাৰক-গ্ৰন্থখনিও সেই অনুষ্ঠানৰ মাননীয় সভাপতিডাঙৰীয়াই মোৰ অনুৰোধ ৰক্ষা কৰি পঠাই দিলে। মই এখেতসকলৰ ওচৰত যথাৰ্থতে ঋণী। তদুপৰি, ২০১৪ খ্ৰীষ্টাব্দৰ শেষৰফালে অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'মুনীন বৰকটকী ৰচনাৱলী'খনি মই ২০১৫ খ্ৰীষ্টাব্দৰ জুন মাহতহে সংগ্ৰহ কৰি আনিলোঁ। এতেকে 'প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী' গ্ৰন্থখনিত যিখিনি গ্ৰহণীয় উপাদান আছে সেইখিনিৰ বাবে এইসকলৰহে প্ৰশংসা প্ৰাপ্য; ত্ৰুটিৰ দায় মোৰ ওপৰত।

১৮ অক্টোবৰ, ২০১৫ — নগেন শইকীয়া

# সূচীপত্ৰ


জীৱন বৃত্ত ..... ..... ১৩-২৩
- আৰম্ভণি ১৩
- বংশলতিকা আৰু পাৰিবাৰিক ঐতিহ্য ১৫
- মুনিন বৰকটকীৰ শৈশৱ আৰু শিক্ষা জীৱন ২০
- মুনিন বৰকটকীৰ কৰ্মজীৱন ২২

মানুহজন ..... ..... ২৪-৪২
- সামাজিক মানুহজন ২৪
- পাৰিবাৰিক জীৱনৰ মানুহজন ২৬
- বিভিন্নজনৰ দৃষ্টিত মানুহজন ৩৪

মুনীন বৰকটকীৰ মনোজগত ..... ..... ৪৩-৬৭
- প্ৰিয় বিষয় ৪৩
- প্ৰিয় গ্ৰন্থ আৰু লেখক ৪৮
- ঐতিহ্য আৰু আধুনিকতা ৫৪
- দৃষ্টিভংগী ৬২

মুনীন বৰকটকীৰ প্ৰতিভা ..... ..... ৬৮-৭৩
- সৃষ্টিশীল প্ৰতিভা ৬৮
- অন্তৰ্দৃষ্টি ঃ বিচাৰ আৰু সিদ্ধান্ত ৭১

ৰচনা-বৈশিষ্ট্য ..... ..... ৭৪-৭৯
- বিষয় ৭৪
- ভাষা আৰু প্ৰকাশভংগী ৭৫
- থোৰতে সাংবাদিক বৰকটকী ৭৮

উপসংহাৰ ..... ..... ৮০-৮১
- কৃতি আৰু কৃতিত্ব ৮০

পৰিশিষ্ট ..... ..... ৮২-১০১
- মুনীন বৰকটকীৰ ৰচনাসম্ভাৰ ৮২
- মুনীন বৰকটকীৰ চিঠিৰ চানেকি ৮৭
- মুনীন বৰকটকীৰ হস্তাক্ষৰৰ চানেকি ৯৬
- বাতৰি কাকতলৈ লিখা ইংৰাজী চিঠিৰ চানেকি ৯৮